যুধৱৰীয়া যুলনি





পৰিয়ালৰ সকলোটিৰ মুখত 'তৃপ্তিৰ এসাঁজ' তুলি দিবলৈ যিয়ে অটব্য অৰণ্যৰ অদৃশ্য ক্রুৰতাৰ সৈতে সংগ্রাম কৰি বোকোচা ভৰাই আনিছে জুহালৰ ইন্ধন। নতুবা প্রখৰ সূর্যৰ উত্তাপ মূৰত লৈ উষ্ণ বালিয়ৰিৰ মাজেৰে যিয়ে খোজ দিছে এটোপা বিশুদ্ধ পানীৰ সন্ধানত। প্রায়বোৰ অনুন্নত বা উন্নয়নশীল ৰাষ্ট্রত এনেবোৰ দৃশ্য সকলোৰে চিনাকি। কিন্তু তেওঁলোকে ঘৰৰ বাহিৰলৈ মেলি দিয়া সেই দৃঢ় খোজবোৰে কিমানবোৰ ঘৰক অকণো আউল নলগাকৈ তাৰ স্বাভাৱিক ছন্দত আগবাঢ়ি যাবলৈ দিছে তাক হয়তো অনুধাৱন কৰিবলৈ কাৰো হাততে পর্যাপ্ত সময় নাই।

ৱাক ইন হাৰ শ্যুজ

কিমান দৃঢ় হ'ব ভাৰতত ইয়াৰ প্রত্যাশাৰ খোজ

পর্যালোচনা | জিতুমণি পাঠক

ৱাক ইন হাৰ শ্যুজ' (Walk in her shoes)— তেওঁলোকৰ খোজৰ সৈতে খোজ। যোৱা ১৮ মার্চৰ পৰা আৰম্ভ কৰি ২৪ মার্চলৈ এসপ্তাহ জুৰি চলিল এই অভিনৱ আয়োজন। সমগ্র বিশ্বৰ জনতাক এই অভিযানৰ জৰিয়তে উদ্যোক্তাসকলে সৌৱৰাই দিব বিচাৰিছে সেইসকল দুঃস্থ নাৰীৰ কথা যাৰ জীৱনৰ কঠোৰ সংগ্রামে শুহি নিছে তেওঁলোকৰ স্বাভাৱিক কমনীয়তাক। পৰিয়ালৰ সকলোটিৰ মুখত 'তৃপ্তিৰ এসাঁজ' তুলি দিবলৈ যিয়ে অটব্য অৰণ্যৰ অদৃশ্য ক্রুৰতাৰ সৈতে সংগ্রাম কৰি বোকোচা ভৰাই আনিছে জুহালৰ ইন্ধন। নতুবা প্রখৰ সূর্যৰ উত্তাপ মূৰত লৈ উষ্ণ বালিয়ৰিৰ মাজেৰে যিয়ে খোজ দিছে এটোপা বিশুদ্ধ পানীৰ সন্ধানত। প্রায়বোৰ অনুন্নত বা উন্নয়নশীল ৰাষ্ট্রত এনেবোৰ দৃশ্য সকলোৰে চিনাকি। কিন্তু তেওঁলোকে ঘৰৰ বাহিৰলৈ মেলি দিয়া সেই দৃঢ় খোজবোৰে কিমানবোৰ ঘৰক অকণো আউল নলগাকৈ তাৰ স্বাভাৱিক ছন্দত আগবাঢ়ি যাবলৈ দিছে তাক হয়তো অনুধাৱন কৰিবলৈ কাৰো হাততে পর্যাপ্ত সময় নাই। কোনেও হৃদয়ংগম কৰিবলৈ প্রয়াস কৰা নাই তেওঁলোকৰ এই অসাধাৰণ ত্যাগে কিদৰে পোহৰাই ৰাখিছে একো একোখন ঘৰ। সেয়েহে এইসকল দুঃস্থ নাৰীৰ সৈতে সহমর্মিতা প্রকাশ কৰি অষ্ট্রেলিয়াৰ এটি বেচৰকাৰী সংগঠনে সমগ্র বিশ্বজুৰি আৰম্ভ কৰি দিছে এক ব্যতিক্রমী অভিযান— 'ৱাক ইন হাৰ শ্যুজ'। এই অভিযানৰ উদ্যোক্তাসকলে ইয়াৰ জৰিয়তে সকলোকে আহ্বান জনাইছে যে ১৮ৰ পৰা ২৪ মার্চলৈ বিশ্বৰ সকলো প্রান্তত ব্যক্তিয়ে এওঁলোকৰ এই কষ্টকৰ জীৱন সংগ্রামৰ সংগী হওক, মিলাওক তেওঁলোকৰ খোজৰ সৈতে খোজ। প্রতিদিনে দহ হেজাৰটাকৈ খোজ দি তেওঁলোকক আশ্বস্ত কৰক যে তেওঁলোকৰ এই ৩৬৫ দিনীয়া কষ্টকৰ জীৱনৰ সংগ্রামত অন্ততঃ এসপ্তাহৰ বাবে হ'লেও আমিবোৰ তেওঁলোকৰ সংগী। এই অভিযানৰ উদ্দেশ্য কেবল এই নাৰীসকলৰ প্রতি সহমর্মিতা প্রকাশ কৰাই নহয়, উদ্যোক্তাসকলে বিচাৰে এই অভিযানে যেন বিশ্বৰ জনমানসত এক সজাগতাৰ সৃষ্টি কৰে আৰু ইয়াৰ পৰা সংগৃহীত ধনে সলনি কৰি দিয়ে এইসকল নাৰীৰ ভাগ্য।

'ৱাক ইন হাৰ শ্যুজ' নামেৰে আৰম্ভ কৰা সপ্তাহজোৰা এই পৰিকল্পনাৰ আঁৰত উদ্দেশ্য এটাই— মহিলা সবলীকৰণ। সৃষ্টিৰ প্রথম পুৰুষ আদমৰ কামিহাড়ৰপৰা 'ইভ'ৰ সৃষ্টি হৈছিল বুলি যি এক সংকল্পনাৰ সৃষ্টি হৈছিল সেই দিনটিৰপৰাই যেন আৰম্ভ হৈছিল পুৰুষৰ দ্বাৰা নাৰীক অৱদমিত কৰাৰ প্রয়াস। সৃষ্টিৰ প্রাৰম্ভতে মানৱ সমাজ নাৰীপ্রধান আছিল যদিও শাৰীৰিক শক্তিৰ প্রয়োগেৰে পুৰুষে লাহে লাহে সমগ্র সমাজ ব্যৱস্থাক নিজৰ কুক্ষিগত কৰিছিল। এই সমাজ ব্যৱস্থাত পুৰুষ হৈ পৰিছিল নাৰীৰ ভাগ্য নিয়ন্তা। অতি সম্প্রতি চলোৱা এক সমীক্ষাত কুক্ষিগত কৰিছিল। এই সমাজ ব্যৱস্থাত পুৰুষ হৈ পৰিছিল প্রকাশ পাইছে যে বিশ্বৰ দুখীয়া শ্রেণীটোৰ ৭০% ক প্রতিনিধিত্ব কৰে নাৰীসকলে। এই দৈন্য কেবল অন্ন-বস্ত্রতে সীমাবদ্ধ নহয়, ইয়াৰ প্রতিফলন ঘটিছে তেওঁলোকৰ শিক্ষা ব্যৱস্থাত, ঘৰুৱা সিদ্ধান্ত গ্রহণ আদি বিভিন্ন ক্ষেত্রত। আৰু এই দৈন্যৰ বাবেই সম্ভৱ হৈ উঠিছে পুৰুষপ্রধান ব্যৱস্থা এটা বর্তি থকা।

'ৱাক ইন হাৰ শ্যুজ' নামেৰে মহিলা সবলীকৰণৰ বাবে চলোৱা এই অনবদ্য প্রয়াসৰ সময়তে ভাৰতীয় সমাজ ব্যৱস্থাত নাৰীৰ স্থান লৈ যি ভয়াৰহ সমীক্ষা প্রকাশ পাইছে, সিয়ে ভাৰতৰ দৰে দেশত এনেধৰণৰ অভিযানে কিমান সুফল দিব সেই সম্পর্কে এক সন্দেহৰ সৃষ্টি কৰিছে। বিচিত্র দেশ ভাৰতবর্ষত নাৰীৰ স্থানো যেন বিচিত্র। সমগ্র দেশখনতে চকুত পৰাকৈ পুৰুষৰ আধিপত্যৰ চাপ স্পষ্ট; অথচ তাৰ মাজতে দেশৰ বহুকেইখন নাৰীপ্রধান সমাজে নির্ভয়ে মূৰ দাঙি ৰৈছে। ইয়াত নাৰীক দেৱীৰ মর্যাদা দি পূজা-অর্চনা কৰা হৈছে, অথচ একে সময়তে নাৰী হৈছে নির্যাতিতা, পদদলিতা।

শেহতীয়াভাৱে UNDP-ৰ এক সমীক্ষাত লিংগ বৈষম্যৰ ক্ষেত্রত ভাৰতৰ যিখন ছবি উন্মোচিত হ'ল সি মাথোঁ যোৱা ৮ মার্চত ঢাক-ঢোল বজাই 'বিশ্ব নাৰী দিবস' উদ্যাপন কৰাটো যে নিতান্তই এক প্রহসন আছিল সেয়া সকলোকে প্রত্যয়মান কৰাব। মুছলিম ৰাষ্ট্র, যিবোৰত নাৰীৰ মর্যাদা সততে লাঘৱ হয় বুলি আশংকা কৰা হয়, UNDP-ৰ সমীক্ষাত পাকিস্তানৰ দৰে তেল ৰাষ্ট্রয়ো ভাৰতৰ হাততে হাৰ মানিবলগীয়া হৈছে। অর্থাৎ লিংগ বৈষম্যৰ ক্ষেত্রত ভাৰতৰ স্থান পাকিস্তানতকৈও ওপৰত। ১৮৭ খন ৰাষ্ট্রৰ মাজত চলোৱা এই সমীক্ষাত পাকিস্তানৰ স্থান ১২৩ হোৱাৰ বিপৰীতে ভাৰতৰ স্থান ১৩২। সমগ্র দক্ষিণ এছিয়াত আফগানিস্তানক বাদ দি ভাৰতেই একমাত্র এখন দেশ য'ত নাৰীৰ জীৱন অতিকে দুর্বিষহ। আনকি এই দেশৰ অতিকে চুকুৰীয়া ৰাষ্ট্র শ্রীলংকা (স্থান ঃ ৭৫), নেপাল (স্থান ঃ ১০২) আৰু বাংলাদেশ (স্থান ঃ ১১১)তো নাৰীয়ে ভাৰততকৈ অধিক মর্যাদা সহকাৰে জীৱন যাপন কৰে। ধর্ষিতা নাৰীৰ পোছাকেই কাল বুলি বিয়াগোম নেতাই আগবঢ়োৱা ভাষ্য বা খাপ পঞ্চায়তে নাৰীক ম'বাইল ফোন ব্যবহাৰ নিষিদ্ধ কৰি সমাজ শুধৰোৱাৰ যি প্রয়াস লৈছে সেইবোৰেই আজি ভাৰতক লিংগ বৈষম্যৰ ক্ষেত্রত তালিবানী শাসনপুষ্ট আফগানিস্তানৰ সৈতে প্রায় সমস্থান প্রদান কৰিছে। ঘৰখনক আর্থিকভাৱে সৱাহ দিবলৈ বাহিৰৰ কর্মক্ষেত্রখনলৈ ওলাই আহিব খোজা নাৰীক ভাৰতীয় সভ্যতা-সংস্কৃতিৰ দোহাই দি ঘৰখনৰ ভিতৰতে আৱদ্ধ কৰি ৰখা হৈছে। অথচ ঘৰৰ ভিতৰত তেওঁলোকৰ ওপৰত জাপি দিয়া হৈছে দুগুণ পৰিশ্রমৰ ভাৰ। উৎপাদনমুখী শ্রমিকৰ ক্ষেত্রত ৮০.৭% পুৰুষৰ বিপৰীতে কেৱল ২৯% মহিলাৰ পৰিসংখ্যা দেখিলে সেয়েহে এনে ভাব হয় যেন দেশখনৰ সমস্ত বোজা যেন অকল পুৰুষ শ্রেণীটোৱেই নিজৰ মুৰৰ ওপৰত তুলি লৈছে। এই পৰিসংখ্যাই গৃহিণীসকলৰ ওপৰত ঘৰুৱা শ্রমৰ ভাৰ আৰু অধিক তুলি দিয়াৰ পথ প্রশস্ত কৰিছে। সংসদত নীতি প্রণয়নেৰে মহিলাৰ অধিকাৰ সুৰক্ষিত কৰিবলৈও সংসদত তেওঁলোকৰ প্রতিনিধিত্বৰ হাৰ মাথোঁ ১০.৯%। অর্থাৎ নিজৰ অধিকাৰৰ বেষ্টনীও নিজে তৈয়াৰ কৰিবলৈ তেওঁলোক কার্যতঃ অক্ষম। ইয়াৰ বাবে তেওঁলোকে সম্পূর্ণকৈ নিৰ্ভৰ কৰিব লাগিব বাকী ৮৯.১% পুৰুষ সাংসদৰ ওপৰত। অশিক্ষিত, সামাজিক-ধর্মীয় গোড়ামিৰে পুষ্ট এনে পর্যায়ৰ পুৰুষ-মহিলাৰ পৰিসংখ্যা দেখিলে অনুমান কৰিব পাৰি যে প্রত্যক্ষভাৱে নহলেও পৰোক্ষভাৱে অতি কৌশলী পন্থাৰে আজিও ভাৰতীয় নাৰীক শিক্ষা লাভৰ অধিকাৰৰ পৰা বঞ্চিত কৰি ৰখা হৈছে, কিয়নো দেখা গৈছে যে ২৫ বছৰৰ ঊর্ধ্ব মাধ্যমিক পর্যায়ত ভাৰতত শিক্ষিতৰ হাৰ পুৰুষৰ ৫০.৪% ৰ বিপৰীতে নাৰীৰ হ'ল ২৬.৬%। প্রায় অর্ধেকসংখ্যক নাৰী এইদৰে তেওঁলোকৰ শিক্ষা লাভৰ অধিকাৰৰ পৰা বঞ্চিত হোৱাটোৱে ইংগিত কৰিছে ভাৰতত লিংগ বৈষম্যৰ ভয়াৱহ ছবিখন।

এনে এক প্রেক্ষাপটত ভাৰতবর্ষত হয়তো আহি পৰিবহি 'ৱাক ইন হাৰ শ্যুজ'ৰ পদক্ষেপ। কিন্তু কার্যতঃ সি চাগে 'বিশ্ব নাৰী দিবস' উদ্যাপনৰ দৰে এক প্রহসনতে পৰিণত হ'ব। কিয়নো ২০১২ বর্ষটোৰ শেষত দামিনীৰ চিৎকাৰে ভাৰতীয় মানসিকতাক জোকাৰি গৈছে বুলি ভাব হোৱাৰ পিছতো এটাৰ পিছত এটাকৈ নির্লজ্জভাৱে ঘটি গৈছে নাৰী নির্যাতনৰ ঘটনা। বহুবোৰ সাংসদৰে ভৰি থকা সংসদত নাৰীৰ অধিকাৰৰ সপক্ষে কিমানে মুক্ত মনেৰে সমর্থন আগবঢ়াব সেয়া সহজে অনুমেয়।

নাৰীক অৱদমিত কৰি ৰখাৰ অন্যতম এটি কৌশল হ'ল তেওঁলোকক শিক্ষা লাভৰ অধিকাৰৰ পৰা বঞ্চিত কৰা। শিক্ষাই চিন্তাৰ জগতখনৰ প্রসাৰ ঘটালেই পুৰুষৰ যুগমীয়া আধিপত্যত আঘাত দিয়াৰ সম্ভাবনা প্রবল কৰি তোলে। সেয়েহে নাৰীক সদায় অৱদমিত কৰি ৰাখিব খোজা শক্তিয়ে নাৰী শিক্ষা অধিকাৰৰ প্রতি বিৰূপ মত প্রদর্শন কৰা দেখা যায়। UNDP-য়ে আগবঢ়োৱা সমীক্ষাত ভাৰতত মাধ্যমিক মৃত্যুদণ্ডৰ ভয়েও ৰুধিব পৰা নাই এনে অনাকাংক্ষিত ঘটনাবোৰক। সকলো দিশতে নাৰীক বিপর্যস্ত কৰি ৰাখিব পৰাটোৱেই যেন হৈ পৰিছে ভাৰতীয় মানসিকতা। 'নাৰীক অৱদমিত কৰি ৰাখিব পৰাটোৱেই পুৰুষত্বৰ সংজ্ঞা' জাতীয় ভাবধাৰা যেতিয়ালৈ ভাৰতীয় মানসিকতাৰ পৰা আঁতৰি নাযাব তেতিয়ালৈ এনেধৰণৰ মহিলাক সবল কৰি তুলিব খোজা হেজাৰটা খোজেও এইখন দেশত কোনোধৰণৰ স্থায়ী চাপ ৰাখি থৈ যাবলৈ সক্ষম নহ'ব।

লেখকৰ ফোন ৯৮৫৪০১৮১১৭



'ৱাক ইন হাৰ শ্যুজ' নামেৰে মহিলা সবলীকৰণৰ বাবে চলোৱা এই অনবদ্য প্রয়াসৰ সময়তে ভাৰতীয় সমাজ ব্যৱস্থাত নাৰীৰ স্থান লৈ যি ভয়াৱহ সমীক্ষা প্রকাশ পাইছে, সিয়ে ভাৰতৰ দৰে দেশত এনেধৰণৰ অভিযানে কিমান সুফল দিব সেই সম্পর্কে এক সন্দেহৰ সৃষ্টি কৰিছে। বিচিত্র দেশ ভাৰতবর্ষত নাৰীৰ স্থানো যেন বিচিত্র। সমগ্র দেশখনতে চকুত পৰাকৈ পুৰুষৰ আধিপত্যৰ চাপ স্পষ্ট; অথচ তাৰ মাজতে দেশৰ বহুকেইখন নাৰীপ্রধান সমাজে নির্ভয়ে মূৰ দাঙি ৰৈছে।